SUPERVISOR GUIDE

VERSION 1.0

মৃণালৰ অসমীয়া গৱেষণাৰ প্ৰণালীতত্ত্বৰ ষ্টুডিঅ’

ASSAMESE RESEARCH METHODOLOGY STUDIO

তত্ত্বাৱধায়কৰ বাবে সহায়িকা

গৱেষকৰ কাম চোৱা, মন্তব্য দিয়া আৰু প্ৰস্তাৱ অনুমোদন

সংস্কৰণ ১.০

AANK_A Creative Line-ৰ হৈ নিৰ্মিত

পৰিকল্পনা আৰু বিষয়বস্তু: ডঃ মৃণাল জ্যোতি গোস্বামী

© 2026 Mrinal Jyoti Goswami

অংশ ১

তত্ত্বাৱধায়কৰ বাবে

আপোনাৰ গৱেষকে মৃণালৰ অসমীয়া গৱেষণাৰ প্ৰণালীতত্ত্বৰ ষ্টুডিঅ'ত গৱেষণাৰ প্ৰস্তাৱ আৰু অধ্যায় লিখিছে। ষ্টুডিঅ'ই গৱেষকৰ হৈ নিলিখে; প্ৰস্তাৱৰ স্তৰ, উদ্ধৃতি, বিশ্ববিদ্যালয়ৰ আৰ্হি আৰু পৰীক্ষাৰ বাবে পথ দেখুৱায়। এই পৃষ্ঠাত আপুনি গৱেষকৰ কাম কেনেকৈ চাব আৰু মন্তব্য কেনেকৈ দিব, সেয়া দিয়া হৈছে।

পৰ্যালোচনাৰ ফাইল চোৱা

১. গৱেষকে **তত্ত্বাৱধায়ক → পৰ্যালোচনাৰ ফাইল সংৰক্ষণ** টিপি এটা .html ফাইল পঠিয়াব (WhatsApp বা ই-মেইলত)।

২. ফাইলটো ফোন বা কম্পিউটাৰৰ যিকোনো ব্ৰাউজাৰত খোলক। আপোনাক ষ্টুডিঅ' বা চাবি নালাগে; ইণ্টাৰনেটো নালাগে।

৩. পৰ্যালোচকৰ নাম লিখক। প্ৰতিটো অংশৰ তলত মন্তব্য লিখক (নিলিখিলেও হয়) আৰু শেষত সম্পূৰ্ণ খচৰাৰ বিষয়ে সামগ্ৰিক মন্তব্য দিয়ক। লিখা মন্তব্য সেই ব্ৰাউজাৰত নিজে সংৰক্ষিত হৈ থাকে।

৪. "মন্তব্য ফাইল সংৰক্ষণ" টিপি ফাইলটো গৱেষকলৈ পঠিয়াওক, বা "মন্তব্য কপি কৰক" টিপি WhatsApp বা ই-মেইলত পেষ্ট কৰক।

গৱেষকে মন্তব্যবোৰ ষ্টুডিঅ'লৈ আনিলে প্ৰতিটো মন্তব্য সংশ্লিষ্ট অংশ বা অধ্যায়ৰ লগত দেখা যায়; গৱেষকে উত্তৰ লিখি সমাধান হোৱা বুলি চিহ্নিত কৰে। পৰৱৰ্তী ফাইলত কি সলনি হ'ল, ষ্টুডিঅ'ই সংস্কৰণ অনুসৰি তুলনা কৰি দেখুৱায়।

ষ্টুডিঅ'ত গৱেষকে কি কৰে

- প্ৰস্তাৱ: সমস্যা, প্ৰশ্ন, উদ্দেশ্য আৰু পদ্ধতি স্তৰে স্তৰে লিখে আৰু সামঞ্জস্য মেট্ৰিক্সত মিলায়।
- অধ্যায়: প্ৰতিটো অধ্যায় কোন উদ্দেশ্যৰ উত্তৰ, সেয়া চিহ্নিত কৰে।
- উদ্ধৃতি আৰু গ্ৰন্থপঞ্জী: বাছি লোৱা শৈলীত (APA, MLA, Chicago, Harvard)।
- জমা দিয়াৰ আগতে AI ব্যৱহাৰৰ ঘোষণা: AI কিহৰ বাবে ব্যৱহাৰ কৰিছে বা কৰা নাই।

প্ৰস্তাৱ অনুমোদন

প্ৰস্তাৱ অনুমোদন হ'লে গৱেষকক ষ্টুডিঅ'ত অনুমোদিত বুলি চিহ্নিত কৰিবলৈ কওক। তাৰ পিছত প্ৰস্তাৱ কেৱল পঢ়িব পাৰি; সলনি কৰিলে ষ্টুডিঅ'ই অনুমোদিত সংস্কৰণৰ সৈতে পাৰ্থক্য দেখুৱায়।

তত্ত্বাৱধায়কৰ চাবি

নিজৰ কামৰ বাবে বা গৱেষকক দেখুৱাবলৈ ষ্টুডিঅ' ব্যৱহাৰ কৰিব খুজিলে তত্ত্বাৱধায়কৰ চাবি ল'ব পাৰে।

চাবি	দাম
তত্ত্বাৱধায়ক, ১ বছৰ, দুটা ডিভাইচ	৪৯৯ টকা
তত্ত্বাৱধায়কৰ পেকেজ: তত্ত্বাৱধায়কৰ এটা আৰু গৱেষকৰ পাঁচটা চাবি (১ বছৰ)	১,৭৯৯ টকা

যোগাযোগ: mrinal.goswami2026@gmail.com

> **মনত ৰাখক**
>
> গৱেষকৰ কাম গৱেষকৰ ডিভাইচতে থাকে। পর্যালোচনাৰ ফাইলত গৱেষকে বাছি দিয়া অংশহে থাকে।